**2022**

# HISTORY

## ( Honours Elective )

Paper : HIS–HE–5026

**[ History of Assam (1228–1826)]**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions in *one* word or in *one* sentence each (any *ten*) : 1×10=10

তলৰ প্ৰশ্নসমূহৰ প্ৰতিটোৰ উত্তৰ *এটা* শব্দ বা *এটা* বাক্যত দিয়া (যি কোনো *দহটা*) :

*(a)* Who is the author of *Fatiyah-i-Ibriyah*?

'ফাটিয়াহ-ই-ইব্ৰিয়াহ'ৰ লেখক কোন?

*(b)* By what name were the Koch Coins known as?

কোচ মুদ্ৰাক কি নামেৰে জনা গৈছিল?

(c) In which year did Malik Uzbeg invade Kamarupa?

কোন চনত মালিক উজবেগে কামৰূপ আক্ৰমণ কৰিছিল ?

(d) Which Ahom ruler did erect the Sukreswar Devalaya?

কোনজন আহোম ৰজাই শুক্ৰেশ্বৰ দেৱালয় নিৰ্মাণ কৰিছিল ?

(e) Name the Ahom ruler popularly known as Bamuni Konwar.

বামুনী কোঁৱৰ নামেৰে কোনজন আহোম ৰজা জনাজাত আছিল ?

(f) Who was the first Sadiyakhowa Gohain?

প্ৰথমজন শদিয়াখোৱা গোহাঁই কোন আছিল ?

(g) Which Ahom ruler created the Post Barpatra Gohain?

কোনজন আহোম ৰজাই বৰপাত্ৰ গোহাঁই পদবীটো সৃষ্টি কৰিছিল ?

(h) Who was Abu Bakr?

আবু বক্কৰ কোন আছিল ?

(i) In which year was the Treaty of Asurar Ali concluded?

কোন চনত অসুৰৰ আলি চুক্তিখন কৰা হৈছিল ?

*(j)* Who was Laluksola?

লালুকসোলা কোন আছিল?

*(k)* Name the last battle that took place between the Ahoms and the Mughals.

আহোম আৰু মোগলৰ মাজত সংঘটিত হোৱা শেষ যুদ্ধখনৰ নাম লিখা।

*(l)* Name the Shakta Brahmin Priest invited by Rudra Singha from Bengal to Assam.

ৰুদ্ৰসিংহই বংগদেশৰ পৰা অসমলৈ আমন্ত্ৰণ কৰি অনা শাক্ত ব্ৰাহ্মণ পুৰোহিতজনৰ নাম লিখা।

*(m)* Which Ahom queen assumed the title 'Pramateswari'?

কোনগৰাকী আহোম ৰাণীয়ে 'প্ৰমতেশ্বৰী' উপাধি ধাৰণ কৰিছিল?

*(n)* Who was Sandhikari?

সন্ধিকাৰী কোন আছিল?

*(o)* Who assumed the title 'Raja of Namrup'?

কোনে 'নামৰূপৰ ৰজা' উপাধি লৈছিল?

*(p)* In which year did the Battle of Mahgarh take place?

কোন চনত মহগড়ৰ যুদ্ধ সংঘটিত হৈছিল?

(q) Who translated the *Abhijnana Shakuntalam* from Sanskrit to Assamese?

'অভিজ্ঞানশকুন্তলম্' কোনে সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছিল ?

(r) Who were the Deodhaies?

দেওধাইসকল কোন আছিল ?

**2.** Answer the following questions in brief (any *five*) : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) :

(a) What was the significance of the Tamreswari Temple located in Sadiya?

শদিয়াত অৱস্থিত তাম্ৰেশ্বৰী মন্দিৰৰ বিশেষত্ব কি আছিল ?

(b) Name two indigenous tribes of Assam at the time of advent of the Ahoms.

আহোমসকলৰ আগমনৰ সময়ত অসমত বসতি কৰা দুটা খিলঞ্জীয়া জনগোষ্ঠীৰ নাম লিখা ।

(c) Who was Hussain Shah and when did he invade Kamata?

হুছেইন ছাহ কোন আছিল আৰু তেওঁ কেতিয়া কমতা আক্ৰমণ কৰিছিল ?

(d) Name two offices created by Pratap Singha. Name the officers who were first appointed to these two posts.

প্ৰতাপসিংহই সৃষ্টি কৰা পদবী দুটাৰ নাম লিখা। এই পদবী দুটাত প্ৰথমবাৰৰ বাবে নিযুক্তি পোৱা বিষয়াকেইজনৰ নাম লিখা।

(e) Who was Detchung?

ডেটচুং কোন আছিল ?

(f) In which year and during whose reign was the jurisdiction of the Ahom kingdom extended to the Jaintia Hills?

কোনজন আহোম ৰজাৰ দিনত আৰু কোন চনত আহোম ৰাজ্যৰ কৰ্তৃত্ব জয়ন্তীয়া পাহাৰলৈ বিস্তাৰিত হৈছিল ?

(g) Who was Kuranganayani?

কুৰঙ্গনয়নী কোন আছিল ?

(h) Who were Haradatta and Biradatta?

হৰদত্ত আৰু বীৰদত্ত কোন আছিল ?

(i) Who were the Burkandazes?

বুৰকাণ্ডাজসকল কোন আছিল ?

(j) Who assassinated Badan Chandra Barphukan and when?

কেতিয়া আৰু কোনে বদনচন্দ্ৰ বৰফুকনক হত্যা কৰিছিল ?

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াসমূহৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা :

(a) Sukapha as a founder of the Ahom kingdom in Assam

অসমত আহোম ৰাজ্যৰ প্ৰতিষ্ঠাপক হিচাবে চুকাফা

(b) Nitipal

নীতিপাল

(c) Mula Gabharu

মূলা গাভৰু

(d) Treaty of Ghilajharighat

ঘিলাজাৰিঘাটৰ সন্ধি

(e) Battle of Saraighat

শৰাইঘাটৰ যুদ্ধ

(f) Captain Welsh's account of Assam

কেপ্তেইন ৱেলচৰ অসমৰ ওপৰত টোকা

(g) Treaty of Yandaboo

ইয়াণ্ডাবু সন্ধি

(h) Contribution of Srimanta Sankardev towards the Assamese culture and literature

অসমীয়া সাহিত্য আৰু সংস্কৃতিলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান

4. Answer any *four* of the following questions : 10×4=40

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া :

(a) Explain the archaeological sources for the reconstruction of the history of Medieval Assam.

মধ্যযুগৰ অসমৰ ইতিহাস পুনৰ্গঠনৰ ক্ষেত্ৰত প্ৰত্নতাত্ত্বিক সমলসমূহ বৰ্ণনা কৰা।

(b) Write a note on the political conditions of the Brahmaputra Valley at the time of the foundation of the Ahom kingdom.

আহোম ৰাজ্যৰ প্ৰতিষ্ঠাৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে এটি টোকা লিখা।

(c) Analyze the role of Suhungmung Dihingia Raja in the expansion of the Ahom kingdom in Assam.

অসমত আহোম ৰাজ্য বিস্তাৰৰ ক্ষেত্ৰত চুহুংমুং দিহিঙীয়া ৰজাৰ ভূমিকা নিৰূপণ কৰা।

(d) Assess the role of Bisva Singha as a founder of the Koch kingdom in Assam.

অসমত কোচ ৰাজ্যৰ প্ৰতিষ্ঠাপক হিচাবে বিশ্বসিংহৰ ভূমিকা মূল্যায়ন কৰা।

(e) Give an account of the Ahom-Mughal conflict during the reign of Pratap Singha.

প্ৰতাপসিংহৰ ৰাজত্বকালত আহোম-মোগল সংঘৰ্ষৰ বিষয়ে এটি বিৱৰণ দিয়া।

(f) "The reign of Rudra Singha may be regarded as marking the climax of the Ahom rule in Assam." Discuss.

"ৰুদ্ৰসিংহৰ ৰাজত্বকাল আহোম যুগৰ সৰ্বশ্ৰেষ্ঠ সময় বুলি অভিহিত কৰিব পৰা যায়।" আলোচনা কৰা।

(g) Critically analyze the nature of the Moamoria Rebellion. To what extent was this Rebellion responsible for the downfall of the Ahom kingdom?

মোৱামৰীয়া বিদ্ৰোহৰ প্ৰকৃতি সূক্ষ্মভাৱে বিশ্লেষণ কৰা। আহোম ৰাজত্বৰ পতনৰ বাবে এই বিদ্ৰোহ কিমানদূৰ দায়ী আছিল?

(h) Narrate the circumstances leading to the British occupation of Assam in 1826.

কেনেধৰণৰ পৰিস্থিতিত ব্ৰিটিছে ১৮২৬ চনত অসম দখল কৰিছিল তাৰ এক বৰ্ণনা দিয়া।

(i) Give an account of the Ahom system of administration.

আহোম প্ৰশাসনিক ব্যৱস্থাৰ এক বিৱৰণ দাঙি ধৰা।

(j) Write a note on the developments of art, architecture and literature during the Ahom reign.

আহোমৰ ৰাজত্বকালত কলা, স্থাপত্য আৰু সাহিত্যৰ বিকাশ সম্পৰ্কে এটি টোকা লিখা।

***